**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 17-01-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## ***Headlines***

১। দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আগমন। প্ৰধানমন্ত্ৰীৰ উপস্থিতিত সৰুসজাইত ১০ হাজাৰ শিল্পীৰ বাগৰুম্বা নৃত্যৰ অনুষ্ঠান।

২। প্ৰধানমন্ত্ৰী মোদীৰ আজি মালদহত কামাখ্যা আৰু হাওৰাৰ মাজত চলাচল কৰিবলগীয়া দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ ৰে'লগাড়ীৰ যাত্ৰা মুকলিৰ কাৰ্যসূচী।

৩। অহা ৬ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনিৰ শুভাৰম্ভ।

আৰু

৪। শিল্পী দিৱস উপলক্ষে ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন। বিশিষ্ট সংগীত শিল্পী ধনদা পাঠক আৰু মৰণোত্তৰভাৱে সমৰ হাজৰিকালৈ ২০২৬ বৰ্ষৰ শিল্পী বঁটা।

0000000

———প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে সন্ধিয়া ৬ বজাত সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অংশস্বৰূপ বড়োসকলৰ বাগৰুম্বা নৃত্যৰ বিশ্বজুৰি প্ৰসাৰৰ অৰ্থে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

প্ৰধানমন্ত্ৰী মোদীয়ে কাইলৈ কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। এই এলিভেটেড কৰিড'ৰে ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰ্যটনৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে **ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ** আৰু **গুৱাহাটীৰ পৰা ৰ'হটকলৈ** চলিবলগীয়া দুখন ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব।

0000000

———প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মালদহ ৰে'ল ষ্টেচনৰ পৰা কামাখ্যা আৰু হাওৰাৰ মাজত চলাচল কৰিবলগীয়া দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ ৰে'লগাড়ী যাত্ৰাৰ শুভাৰম্ভ কৰিব। আধুনিক ভাৰতৰ বৰ্ধিত পৰিবহণ চাহিদা অনুযায়ী সম্পূৰ্ণৰূপে শীত-তাপ নিয়ন্ত্ৰিত এই ৰে'লগাড়ীখনে বহনসাধ্য দৰত যাত্ৰীসকলক বিমান যাত্ৰাৰ দৰে সুবিধা আৰু অভিজ্ঞতা প্ৰদান কৰিব। এই ৰে'লগাড়ীখনে দূৰণিবটীয়া যাত্ৰা অধিক ক্ষিপ্ৰ, নিৰাপদ আৰু সুবিধাজনক কৰি তুলিব বুলি আশা কৰা হৈছে।

0000000

অসম বিধানসভা সচিবালয়ে অহা ১৬ ফেব্ৰুৱাৰীৰ পৰা বিধানসভাৰ অধিৱেশন অনুষ্ঠিত কৰাৰ অনুমতি বিচাৰি ৰাজ্যপাললৈ পত্ৰ প্ৰেৰণ কৰিছে। সেই অনুসৰি ৰাজ্যপালে অনুমতি দিলে চৰকাৰে এই সন্দৰ্ভত অধিসূচনা জাৰি কৰিব বুলি বিধানসভা সচিবালয়ৰ এটা সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে সমাগত অসম বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ বিধানসভাৰ অধিবেশনত পূৰ্ণাংগ বাজেটৰ পৰিৱৰ্তে লেখানুদান দাখিল কৰা হ'ব।

0000000

অহা ৬ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনিৰ শুভাৰম্ভ কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ফে'চবুক লাইভযোগে এই কথা প্ৰকাশ কৰি কয়, যে এই আঁচনিৰ জৰিয়তে ৭৫ হাজাৰ যুৱকে দুই লাখ টকাকৈ লাভ কৰিব। তেওঁ লগতে কয়, যে স্নাতক পৰীক্ষাত উত্তীৰ্ণসকলক আৰ্থিকভাৱে সহায়ৰ অৰ্থে ১১ ফেব্ৰুৱাৰীত জীৱন প্ৰেৰণা আঁচনি মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে অহা ১০ ফেব্ৰুৱাৰীৰ ভিতৰত সকলোধৰণৰ নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব বুলি জানিবলৈ দিয়ে। গুৱাহাটী আৰু যোৰহাটত নিৰ্মীয়মান কেইবাখনো উৰণ সেতুও ফেব্ৰুৱাৰীতে মুকলি কৰা হ'ব বুলি ড° শৰ্মাই প্ৰকাশ কৰে। তেওঁ লগতে ডিব্ৰুগড়ত হ'বলগীয়া বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা অহা ৩০ জানুৱাৰীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে স্থাপন কৰিব বুলি জানিবলৈ দিয়ে।

0000000

সেনা বাহিনীয়ে অসমৰ ৪ খন জিলা শোণিতপুৰ, বিশ্বনাথ, নগাওঁ আৰু মৰিগাওঁত অগ্নিপথ আঁচনিৰ অধীনত অগ্নিবীৰ হিচাপে নিযুক্তি দিয়াৰ বাবে ইতিমধ্যে সূচীভুক্ত কৰা প্ৰাৰ্থীসকলৰ বাবে নিযুক্তি ৰেলী ব্যৱস্থা কৰিছে। অহা ২২ ফেব্ৰুৱাৰীত মৰিগাঁও জিলাৰ প্ৰাৰ্থীসকলৰ বাবে এই ৰেলী অনুষ্ঠিত হ'ব। শোণিতপুৰ জিলাৰ মিছামাৰী সেনা শিবিৰৰ যশৱন্ত সেনা শিবিৰত এই ৰেলীৰ আয়োজন কৰা হৈছে। যোগ্যতা সম্পন্ন প্ৰাৰ্থীয়ে ভাৰতীয় সেনা বাহিনীৰ ৱেবছাইট www.join*in***indian***army*.nic.in ৰ পৰা নিজৰ প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। বাছনি হৈও প্ৰৱেশপত্ৰ লাভ নকৰা বা যিকোনো ওজৰ আপত্তিৰ বাবে প্ৰাৰ্থীয়ে ই-মেইল আৰু ফোন কৰিব পাৰিব। উল্লেখযোগ্য যে ২০২৫ চনৰ জুন-জুলাই মাহত অগ্নিবীৰ নিযুক্তিৰ বাবে অনলাইনযোগে সাধাৰণ প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত হৈছিল।

00000000

আজি শিল্পী দিৱস। সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭৫ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যজুৰি শিল্পী দিৱস হিচাপে পালন কৰা হৈছে। ১৯৫১ চনৰ ১৭ জানুৱাৰীত দেহাৱসান ঘটা সব্যসাচী শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই প্ৰতিবছৰে আজিৰ দিনটো শিল্পী দিৱস হিচাপে পালন কৰি অহা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি শিল্পী দিৱস উপলক্ষে ৰূপকোঁৱৰৰ সোঁৱৰণত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হয়।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিল্পী দিৱসৰ পবিত্ৰ ক্ষণত অসমীয়া সংস্কৃতিক নৱ চেতনাৰে জাতিস্কাৰ কৰা সুন্দৰৰ পূজাৰী, মহান শিল্পী অসমীয়া কথাছবি পথদ্ৰষ্টা, স্বাধীনতা সংগ্ৰামী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। তেওঁ ৰূপকোঁৱৰৰ চিন্তা-চেতনাই আমাৰ সমাজ জীৱন আলোকিত কৰিব বুলি আশা প্ৰকাশ কৰে।

উত্তৰ গুৱাহাটীৰ শতদল শাখাৰ উদ্যোগত আজি পুৱাৰেপৰা দুদিনীয়াকৈ শিল্পী দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। পুৱা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি তৰ্পন কৰি বিশিষ্ট সাহিত্যিক মোহন শইকীয়াই সাহিত্য সভাৰ তৰফৰ পৰা 'ৰম্যৰন্মা' নামৰ এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে। অনুষ্ঠানৰ দ্বিতীয় দিনা উত্তৰ গুৱাহাটীৰ ১০ গৰাকী শিল্পী-সাহিত্যিকক সম্বৰ্ধনা জনোৱা হ'ব।

আনহাতে, বাক্সা জিলাৰ বাগানপাৰাত কালিৰেপৰা দুদিনীয়াকৈ সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় শিল্পী দিৱসৰ কাৰ্য্যসূচী অনুষ্ঠিত হৈছে। বাক্সা জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বাগানপাৰা আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত এই কাৰ্য্যসূচীৰ আয়োজন কৰা হৈছে। অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক ৰমেশ কলিতাই দুদিনীয়াকৈ অনুষ্ঠিত হোৱা শিল্পী দিৱসৰ কালি মূল দুৱাৰ মুকলি কৰে। আজি হ'বলগীয়া মুকলি সভাত সদৌ অসম ছাত্ৰ সভাৰ কেন্দ্ৰীয় বিষয়ববীয়াসকল উপস্থিত থাকিব। এই সন্দৰ্ভত এয়া আমাৰ বাক্সা জিলাৰ সংবাদদাতা দামোদৰ তালুকদাৰ–

বাইট

গোৱালপাৰা জিলা সাহিত্য সভাৰ উদ্যোগত আৰু আগিয়া শতদল শাখা সাহিত্য সভাৰ সহযোগত জিলাখনৰ উৰপদ বিলৰ বাকৰিত শিল্পী দিৱস উপলক্ষে দিনজোৱা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে পতাকা উত্তোলন, ৰূপকোঁৱৰৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, মাল্যাৰ্পন, সাহিত্যানুষ্ঠান, আৰু মুকলি সভা অনুষ্ঠিত হ'ব।

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মস্থান ডিব্ৰুগড় জিলাৰ তামোলবাৰীত আজি বন্তি জ্বলাই শিল্পীগৰাকীৰ ৭৫ সংখ্যক মৃত্যু তিথি পালন কৰা হ'ব।

শিৱসাগৰ জিলাৰ প্ৰশাসনৰ উদ্যোগত আজি স্থানীয় জিলা পুথিভৰাল প্ৰাংগণত শিল্পী দিৱস ২০২৬ৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তিনিটা শাখাত জ্যোতি সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে মুকলি সভাৰো আয়োজন কৰা হৈছে।

oooooooo

যোৰহাট সাহিত্য মঞ্চই যোৰহাট সাহিত্য উৎসৱৰ সৈতে সংগতি ৰাখি প্ৰতিবছৰে প্ৰদান কৰা সাহিত্য বঁটাসমূহ ঘোষণা কৰিছে। বিশিষ্ট বিজ্ঞান লেখক, গল্পকাৰ, শিশু সাহিত্যিক,ঔপন্যাসিক অনন্ত কুমাৰ শৰ্মালৈ এইবছৰৰ জীৱনজোৰা সাধনা বঁটা আগবঢ়োৱা হৈছে। হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ অৱসৰপ্ৰাপ্ত আয়ুক্ত বিশিষ্ট লেখক, শিক্ষাবিদ লক্ষ্মীনাথ তামুলীলৈ যোৰহাট প্ৰজ্ঞাৰত্ন বঁটা আগবঢ়োৱা হৈছে। এই বঁটাত থাকিব এটি স্মাৰক, সম্বৰ্ধনা পত্ৰ, গামোচা আৰু গ্ৰন্থৰ টোপোলা। আনহাতে, বিশিষ্ট লেখক, বিজ্ঞানী ড০ সোমেন্দ্ৰ নাথ বুঢ়াগোহাঁইক **অসম আৰু আহোম-প্ৰস্তুৰ যোগৰ পৰা ১৮৩৮ খ্ৰীষ্টাব্দলৈকে** শীৰ্ষক গ্ৰন্থখনৰ বাবে আৰু জনপ্ৰিয় ঔপন্যাসিক শৰ্মিষ্ঠা প্ৰীতমলৈ তেওঁৰ **নীল সাগৰৰ শংখধ্বনি** শীৰ্ষক গ্ৰন্থখনৰ বাবে যোৰহাট সাহিত্য বঁটা আগবঢ়োৱা হৈছে।

oooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যুৰ দিন অৰ্থাৎ শিল্পী দিৱস উপলক্ষে আজি বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। নিশা ৮ বাজি ২ মিনিটৰ পৰা বাতৰি বিভাগৰ বাতৰি পঢ়োতা, বাতৰি সম্পাদক, ডিটিপি কৰ্মচাৰী আৰু সহায়কসকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত, কবিতা আৰু নাটকৰ সংলাপ পৰিৱেশন কৰিব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু শাখাৰ লগতে বাতৰি বিভাগৰ ফেচবুক পেজ আৰু ইউটিউব চেনেলযোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। ফে'চবুক আৰু ইউটিউবত অনুষ্ঠানটো বিৰতিবিহীনভাৱে প্ৰচাৰিত হ'ব। অনুষ্ঠানটোৰ নিৰ্বাচিত অংশ কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত মহাবাহু চেনেলযোগে প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু পৰিচালনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

oooooooo

ooooooo

**সমাপ্ত**